**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-08-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

স্বাধীনতা দিৱস আৰু গণৰাজ্য দিৱস প্ৰতিগৰাকী ভাৰতীয়ই উৎসাহ-উদ্দীপনাৰে পালন কৰাটো আমাৰ সকলোৰে বাবে গৌৰৱৰ বিষয়। এই বিশেষ দিনকেইটাই আমাক ভাৰতীয় হোৱাৰ গৌৰৱক সোঁৱৰাই দিয়ে। স্বাধীনতা দিৱসৰ প্ৰাক্ সন্ধিয়া দেশবাসীক উদ্দেশি দিয়া ভাষণত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ জনসাধাৰণক শুভেচ্ছা জনাই এইদৰে প্ৰকাশ কৰে। ১৫ আগষ্টৰ দিনটোৰ বহু স্মৃতি আমাৰ মনত গভীৰভাৱে শিপাই আছে বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয়, যে ঔপনিৱেশিক শাসনৰ দীঘলীয়া সময়ছোৱাত অনেক প্ৰজন্মই স্বাধীনতাৰ সপোন দেখিছিল। তেওঁলোকৰ এই আশাৰ মনোভাৱে স্বাধীনতাৰ পৰৱৰ্তী সময়ত দেশৰ প্ৰগতিত শক্তি যোগাই আহিছে। শ্ৰীমতী মুৰ্মুৱে কয়, যে কাইলৈ ত্ৰিৰংগ পতাকাক সন্মান জনোৱাৰ সময়ত ৭৮ বছৰ পূৰ্বে ভাৰতৰ স্বাধীনতাৰ হকে প্ৰাণ আহুতি দিয়া সকলো স্বাধীনতা যুঁজাৰুৰ স্মৃতিতো শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হ'ব।

ৰাষ্ট্ৰপতি মুৰ্মুৱে স্বাধীনতা দিৱসৰ প্ৰাক্ সন্ধিয়া সকলোকে পৰিৱেশ সুৰক্ষাৰ বাবে যথাসম্ভৱ প্ৰয়াস কৰিবলৈ আহ্বান জনায়। দেশৰ সীমান্তৰ সুৰক্ষাত ব্ৰতী হৈ থকা সৈনিক, আৰক্ষী তথা কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীৰ লোকসকলক বিশেষ গুৰুত্ব দি ৰাষ্ট্ৰপতিয়ে ন্যায় পালিকা আৰু অসামৰিক সেৱাৰ সদস্যসকলকো স্বাধীনতা দিৱসৰ শুভকামনা জ্ঞাপন কৰে। তেওঁ লগতে বিদেশত থকা ভাৰতীয় দূতাবাসত কৰ্মৰত বিষয়া তথা প্ৰবাসী ভাৰতীয়সকলকো স্বাধীনতা দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে।

০০০০

স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতিৰ আৰক্ষী পদকসমূহ ঘোষণা কৰা হৈছে। এই বছৰ আৰক্ষী, অগ্নি নিৰ্বাপন, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা সেৱাৰ মুঠ এহেজাৰ ৯০ গৰাকী কৰ্মীলৈ এই পদক আগবঢ়োৱা হৈছে। এই পদক লাভ কৰাসকলৰ ভিতৰত অসমৰ ১৭ গৰাকী আৰক্ষী কৰ্মী আছে।

সীমান্ত সুৰক্ষা বাহিনী- বি এছ এফৰ ১৬ জন সাহসী সীমা প্ৰহৰীলৈ অপাৰেচন সিন্দূৰৰ সময়ত দেখুওৱা অদম্য সাহস আৰু বীৰত্বৰ বাবে ৰাষ্ট্ৰপতিৰ আৰক্ষী পদক আগবঢ়োৱা হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বি এছ এফে কয়, যে এই পদক হৈছে – ভাৰতৰ প্ৰতিৰক্ষাৰ প্ৰথম শাৰীত থকা জোৱানসকলৰ প্ৰতি দেশৰ বিশ্বাস আৰু আস্থাৰ প্ৰতীক।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই স্বাধীনতাৰ ৭৮ বছৰ পূৰ্ণ হোৱা উপলক্ষে প্ৰচাৰ কৰি অহা অনুষ্ঠানমালাৰ অংশ হিচাপে অহা ১৬ আগষ্ট শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। **"স্বাধীনতাৰ প্ৰত্যাশা-কি পালো, কি নাপালো"** শীৰ্ষক এই অনুষ্ঠানত ৰাজ্যখনৰ বিভিন্ন স্থানৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে স্বৰাজোত্তৰ কালৰ অভিজ্ঞতা ব্যক্ত কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

বজালী জিলা বিজেপিৰ উদ্যোগত আজি **বিভাজন বিভিষিকা** স্মৃতি দিৱসত জিলা সদৰ পাঠশালাত এটা মৌন সমদল উলিওৱা হয়। দেশ বিভাজনৰ সময়ত হোৱা বিভিষিকাময় পৰিৱেশত প্ৰাণ আহুতি দিয়া নিৰীহ জনতালৈ শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে এই সমদল উলিওৱা হয়। এই দিনটোতে ভাৰত দ্বিখণ্ডিত হৈছিল আৰু কোটি কোটি লোক গৃহহীন হোৱাৰ লগতে স্থানান্তৰিত হ'বলগীয়া হৈছিল। এই বিভাজনৰ ফলত বহু লোকৰ প্ৰাণ হানিও হৈছিল। দেশ বিভাজনৰ সময়ত মৃত্যু হোৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ লগতে দেশৰ ঐক্য, সংহতি আৰু ভাতৃত্ববোধ অটুত ৰখাৰ উদ্দেশ্যে সংকল্পবদ্ধ হ'বলৈ জিলা বিজেপিয়ে বজালীত এই কাৰ্যসূচী গ্ৰহণ কৰে।

০০০০

অসম আন্দোলনত প্ৰাণ বিসৰ্জন দিয়া ৮৬০ গৰাকী ছহিদক সুঁৱৰি আৰু অসম চুক্তি স্বাক্ষৰৰ ৪০ বছৰ সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত অসম গণ পৰিষদৰ ভাতৃ সংগঠন অসম যুৱ পৰিষদৰ গুৱাহাটী শাখাই আজি অগপৰ আমবাৰীত থকা মুখ্য কাৰ্যালয় আৰু দীঘলীপুখুৰী প্ৰাংগণত ছহিদ স্মৰণ অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত অসম আন্দোলনৰ চুক্তি স্বাক্ষৰকাৰী ড০ জয়নাথ শৰ্মা আৰু বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিকা, পৃথ্বিৰাজ ৰাভা আদিৰ লগতে অগপৰ কেইবাগৰাকীও নেতা কৰ্মী উপস্থিত থাকে।

০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কাইলৈৰ পৰা ২১ আগষ্টলৈ পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাৰ আয়োজন কৰা হৈছে। স্বাধীনতা সংগ্ৰামৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত এই নাটমেলাৰ আয়োজন কৰা হৈছে। প্ৰতিদিনে বিয়লি ৫ আৰু সন্ধিয়া চাৰে সাত বজাত নাটসমূহ প্ৰদৰ্শন কৰা হ'ব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মূল প্ৰৱেশদ্বাৰৰ পৰা ১৮ আগষ্ট পৰ্যন্ত নিতৌ দিনৰ ১১ বজাৰ পৰা বিয়লি ৪ বজালৈ প্ৰৱেশ পত্ৰ সংগ্ৰহ কৰিব পাৰিব। ১২ বছৰৰ অনুৰ্ধ শিশুৰ প্ৰেক্ষাগৃহত প্ৰৱেশত বাধা থাকিব। এই নাটমেলাৰ অন্তৰ্গত প্ৰথম দিনা হিল্লোল কুমাৰ পাঠকৰ গোপীনাথ-যুগজয়ী স্বপ্নদ্ৰষ্টা নাট প্ৰদৰ্শন কৰা হব। ১৬ আগষ্টত গোভা ৰজা ছত্ৰচিং- অপ্ৰতিৰোধ্য দেওৰজা, ১৭ আগষ্টত মাংৰীমেম- সেউজী অগ্নিকন্যা, ১৮ আগষ্টত ব্ৰজনাথ- বিপ্লৱী অগ্নিবীৰ, ১৯ আগষ্টত জ্যোতিপ্ৰসাদ-সংগ্ৰামী জ্যোতিশিখা, ২০ আগষ্টত অম্বিকাগিৰী-অনিৰ্বাপিত একুৰা জুই আৰু ২১ আগষ্টত চন্দ্ৰপ্ৰভা- মুক্তিৰ এটি গান শীৰ্ষক নাট পৰিবেশন কৰা হ'ব।

০০০০

বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই কাইলৈ কামৰূপ, নগাঁও, মৰিগাঁও আৰু কাৰ্বি আংলং জিলাত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আশংকা কৰি জিলাকেইখনৰ বাবে ইয়েল' এলাৰ্ট জাৰি কৰিছে। এই সময়ছোৱাত জিলাকেইখনৰ ঠাইবিশেষে ধাৰাসাৰ বৰষুণ হ'ব পাৰে আৰু বিজুলী ঢেৰেকনিৰে প্ৰতি ঘণ্টাত ৪০ৰ পৰা ৫০ কিলোমিটাৰ বেগেৰে বতাহ বলাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ